# 2016

## ASSAMESE

( Major )

Paper : 1.2

**( Asamiya Prachin Kavita )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×১০=১০

(ক) 'শ্ৰীকৃষ্ণ-কীৰ্তন' কাব্যখনৰ বৰ্ণনীয় বিষয় কি ?

(খ) 'ধৰ্ম-পূজা' বংগদেশৰ কোন অঞ্চলৰ উৎসৱ ?

(গ) 'গীতি-ৰামায়ণ'ৰ ৰচক কোন ?

(ঘ) হৰিবৰ বিপ্ৰ কোন যুগৰ কবি ?

(ঙ) প্ৰাক্-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি কোন ?

(চ) নিচুকনি-গীতৰ আৰ্হিত বিষ্ণুৰ অৱতাৰৰ লীলা-মাহাত্ম্য সৰস প্ৰাঞ্জল আৰু অভিনৱ ৰূপত প্ৰকাশ কৰা শ্ৰীধৰ কন্দলীৰ গ্ৰন্থখনৰ নাম কি ?

(ছ) শংকৰদেৱে ৰচনা কৰা প্ৰথম কাব্যগ্ৰন্থখনৰ নাম কি?

(জ) "চৰ্যাগীতবোৰ সহজযানী মতবাদ বহন কৰা ধৰ্মীয় গীত।" কথাষাৰ শুদ্ধনে?

(ঝ) কোনগৰাকী কবিক 'তামসিক কবি' বুলি আখ্যা দিয়া হয়?

(ঞ) 'সমাহিঅ' শব্দৰ অৰ্থ কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) লুইপাদে কামৰূপী অপভ্ৰংশ ভাষাত লিখা দুখন পুথিৰ নাম লিখা।

(খ) "ওজাপালিত সাধাৰণতে পাঁচজন গায়ক-বাদক থাকে। ইয়াৰ গীত-পদৰো পাঁচটা অঙ্গ থাকে।" এই পাঁচটা অঙ্গ কি কি?

(গ) "পূৰ্ব কবি অপ্ৰমাদী　　মাধৱ কন্দলী আদি
　　বিৰচিলা পদে ৰাম কথা।
হস্তীৰো দেখিয়া লাদ　　শশা যেন ফাৰে মাৰ্গ
　　মোৰ ভৈল তেহ্নয় অৱস্থা॥"

ইয়াত 'শশা' আৰু 'হস্তী' শব্দই কাক, কাক বুজাইছে?

(ঘ) 'নন্দোৎসৱ'ৰ মূল বিষয়বস্তু ক'ৰ পৰা লোৱা হৈছে?

(ঙ) "ইহাৰ বিৰহে মোৰ তনুসৰ দহে।
এহতো যৌৱন চোৱা আনজন নোহে॥"

এই কবিতাংশ কোনগৰাকী কবিৰ, কোনটো কবিতাৰ পৰা উদ্ধৃত কৰা হৈছে?





৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সঅল সমাহিঅ কাহি কৰিঅই।
সুখ-দুখেতেঁ নিচিত মৰি আই॥

(খ) কঙ্ক বঙ্ক মউপিয়া পক্ষী মনোনীত।
নানাবিধ চিত্ৰ পক্ষী দেখিতে শোভিত॥
কোকিলৰ ৰাৰ পেচা ফিঙ্গা শুক সাৰি।
মনোহৰ পক্ষী যত বৰ্ণাইতে নপাৰি॥

(গ) বাহুত মলয়া শঙ্খ গলপতা গলে।
পিন্ধি নেত খোন্টাজালি লয়লাসে চলে॥

(ঘ) অনাদি স্বৰূপে　　জগত সৃজিলো
　　চৰাচৰ ভেদ কৰি।
সমস্তে জগত　　প্ৰতিপাল কৰি
　　আত্মাৰূপে আছো ধৰি॥

(ঙ) মালতী মধাই পাৰিজাত যে পলাশ।
প্ৰফুল্ল ফুলিতে আছে মলয়াৰ বাস॥
সুৰভি শীতল বহে মলয়া পৱন।
তাহাত ভ্ৰমিয়া ফুৰে যত পক্ষীগণ॥

(চ) এক পট প্ৰথমে কৰিল অনুবন্ধ।
তুলি লৈলা নানা বৰ্ণ হৃদয় আনন্দ॥
লেখিতে আৰম্ভ কৈলা স্মৰি মহেশ্বৰ।
প্ৰথমে লেখিলা দেৱৰাজ পুৰন্দৰ॥

৪। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) প্ৰাচীন অসমীয়া (ধ্ৰুপদী) কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি নাতিদীৰ্ঘ আলোচনা যুগুত কৰা।

অথবা

প্ৰাক্-শংকৰী যুগৰ যুদ্ধকাব্য প্ৰণেতা শ্ৰেষ্ঠ কবিজনাৰ চমু পৰিচয় দি তেওঁৰ কাব্যকৃতি সম্পৰ্কে লিখা।

(খ) লুইপাদানামৰ 'কাআ তৰুবৰ' শীৰ্ষক চৰ্যাটিৰ গূঢ়াৰ্থখিনি তোমাৰ নিজৰ ভাষাৰে বৰ্ণনা কৰা।

অথবা

মাধৱ কন্দলিৰ চমু পৰিচয় দি 'চিত্ৰকূটৰ চিত্ৰ' কাব্যাংশৰ আধাৰত তেওঁৰ কাব্য-প্ৰতিভাৰ মূল্যায়ন কৰা।

(গ) শংকৰদেৱৰ 'নন্দোৎসৱ' কবিতাত অসমীয়া সমাজ-জীৱনৰ চিত্ৰ কিদৰে প্ৰকাশিত হৈছে, বিচাৰ কৰা।

অথবা

শ্ৰীধৰ কন্দলীৰ 'কাণখোৱা' কবিতাটিত শিশু কৃষ্ণৰ চৰিত্ৰত মানৱীয় আৰু ঐশ্বৰিক দিশৰ প্ৰকাশ কেনেদৰে হৈছে, চমুকৈ আলোচনা কৰা।

(ঘ) 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চৈত্ৰাৱলী চতুৰ্দ্দশীৰ মোট খেলা' কাব্যাংশৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

অথবা

'চিত্ৰলেখাৰ পট নিৰ্মাণ' কাব্যাংশৰ আধাৰত চিত্ৰলেখা চৰিত্ৰটোৰ এটি বৈশিষ্ট্যমূলক আলোচনা আগবঢ়োৱা।

★★★